যোৱাসকলৰ একাংশই ৰাস্তাত ট্ৰেফিক জামৰ কাৰণে পলম হোৱা বুলি 'বছ'ক মিছা কৈফিয়ৎ দিয়া, কোনো বিয়াগোম কেলেংকাৰীত জড়িত বুলি অভিযুক্ত হৈ আৰক্ষী বা ন্যায়িক জিম্মাত থকাৰ ভয়ত আগতীয়া জামিন নোলোৱালৈকে অসুস্থতাৰ ভাও জুৰি ডাক্তৰৰপৰা ভুৱা প্ৰমাণপত্ৰ লৈ চিকিৎসালয়ত ভৰ্তি হোৱা, নিজৰ ঘৰতে থাকি ঘৰভাৰা বানচ পোৱাৰ কাৰণে আনৰ ভাৰাঘৰত থকাৰ ভুৱা ৰচিদ দাখিল কৰা, অপ্ৰাদেশীকৃত বিদ্যালয়ৰ মুৰব্বীয়ে বিদ্যালয় প্ৰাদেশিকীকৰণৰ আশাত ভুৱা শিক্ষাৰ্থী আৰু শিক্ষকৰ সংখ্যা প্ৰতিবেদনত সন্নিৱিষ্ট কৰি বিভাগীয় কৰ্তৃপক্ষৰ ওচৰত দাখিল কৰা ইত্যাদি ধৰণৰ মিছাৰ সহায় লোৱা দেখা যায়। সেইদৰে পৰীক্ষাত ভালকৈ লিখিব নোৱৰা কোনো পৰীক্ষাৰ্থীয়ে অভিভাৱকৰ গালি খোৱাৰ ভয়ত পৰীক্ষা ভাল হোৱা বুলি মিছা মতা, পৰীক্ষাত টানিটুনি ডিষ্টিংশ্যন নম্বৰ পোৱা পৰীক্ষাৰ্থীৰ অভিভাৱকে ৯০ শতাংশৰ ওপৰত নম্বৰ পোৱা বুলি আনৰ আগত সন্তানৰ নাম জাহিৰ কৰিবলৈ মিছা মতা, অতিথি বা বন্ধু-বান্ধৱ বা চিনাকি মানুহ ঘৰলৈ আহিবৰ কাৰণে ফোন কৰি সুধিলে বেছিভাগেই এৰাই চলিবৰ কাৰণে মিছা মাতি ব্যস্ত থকা বা ক'ৰবালৈ যাবলগীয়া থকা বুলি জনোৱা, দাগী অপৰাধী বুলি জানিও অধিবক্তাই ন্যায়ালয়ত আচামীক বচাবৰ কাৰণে মিছা যুক্তি প্ৰদৰ্শনেৰে প্ৰাণটাকি যুঁজা, সংবাদ মাধ্যমৰ সংবাদ প্ৰতিষ্ঠানৰ কোনো সাংবাদিকে ইচ্ছাকৃত বা বাধ্য-বাধকতাত পৰি অনিচ্ছাকৃতভাৱে প্ৰকৃত তথ্য বিকৃত কৰি মিছা বাতৰি পৰিৱেশন কৰা, সহজ-সৰল তথা নিৰীহ যুৱতীক কোনো চৰিত্ৰহীন যুৱকে জীৱন সংগী কৰাৰ মিছা প্ৰতিশ্ৰুতিৰে প্ৰেমৰ অভিনয় কৰি যৌন কামনা চৰিতাৰ্থ কৰাৰ পাছত প্ৰতাৰণা কৰি জীৱন ধ্বংস কৰা, এজনৰ মাটি আন এজনে বিভাগীয় বিষয়া-কৰ্মচাৰীৰ সহযোগত মিছাৰ সহায় লৈ জালিয়াতিৰে নিজৰ নামত নামজাৰি কৰা, কাৰোবাৰ বেংকৰ জমাধন কোনো দুষ্টচক্ৰই এ টি এমৰ তথ্য জালিয়াতিৰে হেক (চুৰ) কৰি লুট কৰা ইত্যাদি দেখা যায়।

এইটো অনস্বীকাৰ্য যে স্বাভাৱিক অৱস্থাত বা কোনো বিশেষ পৰিৱেশ-পৰিস্থিতিৰ সন্মুখীন হৈ কোনোৰে কেতিয়াবা সৌজন্যৰ খাতিৰত বা নিজৰ স্বাৰ্থ সিদ্ধিৰ কাৰণে মিছাৰ সহায় লৈ নকৰিবলগীয়া কামো কৰিবলগীয়া হয়। এই সন্দৰ্ভত যথেষ্ট উদাহৰণ দাঙি ধৰিব পৰা যায় যদিও তলত মাত্ৰ দুটা উদাহৰণহে দাঙি ধৰা হ'ল।

গুৱাহাটী মহানগৰৰ এখন আগশাৰীৰ মহাবিদ্যালয়ত অধ্যাপনা কৰি কেইবছৰমান আগেয়ে অৱসৰ গ্ৰহণ কৰা মোৰ কলেজীয়া জীৱনৰ সহপাঠী বন্ধু এগৰাকীয়ে লিখা ২৫টা নিবন্ধ সন্নিৱিষ্টকৰণেৰে কোনো প্ৰকাশকগোষ্ঠীৰদ্বাৰা ছপা কৰি উলিওৱা কিতাপ এখন লৈ কেইমাহমান আগেয়ে মোৰ ঘৰলৈ আহি কিতাপখন দি পঢ়াৰ পাছত মোৰ মন্তব্য বিচাৰিছিল। কিতাপখনত সন্নিৱিষ্ট বেছিভাগ নিবন্ধই গুৰুত্বহীন, অপ্ৰাসংগিক আৰু সময়োপযোগী নোহোৱা বিষয়বস্তুৰ ভিত্তিত তথ্য-বিভ্ৰাটেৰে লিখাৰ কাৰণে কিতাপখন পঢ়ি মোৰ অকণো ভাল নালাগিল। সেই কিতাপখনৰ বিষয়ে কেইদিনমান আগেয়ে এগৰাকী পাঠকে গুৰুত্বহীন আৰু অপ্ৰাসংগিক বিষয়বস্তু লৈ তথ্য-বিভ্ৰাটেৰে লিখা নিবন্ধৰ সন্নিৱিষ্ট এখন কিতাপ বুলি বিৰূপ সমালোচনা কৰাৰ বিষয়ে কোনো এখন বাতৰিকাকতত পঢ়িবলৈ পাইছিলোঁ। কিতাপখন মোক দি যোৱা দুমাহমান পাছত মন্তব্য বিচাৰি মোলৈ ফোন কৰাত কিতাপখন মোৰ ভাল নলগা সত্ত্বেও সৌজন্য তথা বন্ধুত্বৰ খাতিৰত ভাল লাগিল বুলি মিছা মাতিছিলোঁ।

অগপৰ কেইজনমান শীৰ্ষ নেতাই 'কেব'ৰ বিৰুদ্ধে চলা জোৰদাৰ আন্দোলনত সক্ৰিয় অংশগ্ৰহণ কৰাৰ উদ্দেশ্যে মন্ত্ৰিত্বৰ পদ ইস্তফা দিয়াৰ লগতে বিজেপি মিত্ৰজোঁট ত্যাগ কৰা আৰু 'কেব'ৰ বিৰোধিতাৰ নাটক কৰাৰ পাছত বিগত পঞ্চায়তৰ নিৰ্বাচনত মুখ থেকেচা খোৱাত নিজৰ ৰাজনৈতিক ভৱিষ্যতৰ কথা চিন্তা কৰি পুনৰ বিজেপিৰ লগ লাগি মিছাৰ সহায় লৈ 'কেব' আৰু পৰৱৰ্তী সময়ত 'কা'ৰ সমৰ্থন কৰি আছে। জাতীয়তাবাদী ভাবাদৰ্শত চলা অসমৰ সৰ্ববৃহৎ আঞ্চলিক দল অগপৰ তিনিগৰাকী শীৰ্ষ নেতাই 'কা' বলৱৎ হ'লে অসম তথা অসমীয়াৰ জাতীয় জীৱনলৈ আহিব পৰা ভয়ংকৰ দুৰ্যোগৰ কথা জানিও একমাত্ৰ ক্ষমতাৰ লোভত মন্ত্ৰিত্বৰ পদ খামোচ মাৰি ধৰি থকাৰ স্বাৰ্থতেই নিজৰ বিবেকৰ বিৰুদ্ধে গৈ 'কা'ৰ সমৰ্থন কৰি আছে।

ঠিকনা ঃ অৱসৰপ্ৰাপ্ত সঞ্চালক, ৰাজ্যিক শিক্ষা গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, ঘৰ নম্বৰ-৩৬, শেৱালি পথ, হাতীগাঁও, গুৱাহাটী-৭৮১০৩৮, ফোন ঃ ৯৪৩৫১০৮৫৪৭

## ছুড'কু

| | | | | | | | | |
|---|---|---|---|---|---|---|---|---|
| ৪ | ৭ | ৯ | ৩ | ১ | ২ | ৬ | ৮ | ৫ |
| ২ | ১ | ৬ | ৭ | ৫ | ৮ | ৯ | ৩ | ৪ |
| ৫ | ৩ | ৮ | ৬ | ৯ | ৪ | ৭ | ১ | ২ |
| ৩ | ৬ | ১ | ৪ | ২ | ৯ | ৫ | ৭ | ৮ |
| ৭ | ৮ | ২ | ৫ | ৩ | ১ | ৪ | ৯ | ৬ |
| ৯ | ৫ | ৪ | ৮ | ৭ | ৬ | ১ | ২ | ৩ |
| ৬ | ৯ | ৫ | ২ | ৮ | ৭ | ৩ | ৪ | ১ |
| ১ | ২ | ৩ | ৯ | ৪ | ৫ | ৮ | ৬ | ৭ |
| ৮ | ৪ | ৭ | ১ | ৬ | ৩ | ২ | ৫ | ৯ |

(১। ১১। ২০২০ সংখ্যাৰ 'ছুড'কু'ৰ উত্তৰ)

| | | | | | | | | |
|---|---|---|---|---|---|---|---|---|
| ৯ | | ৪ | | | ১ | | | ৫ |
| ৭ | | | | | ৫ | | | ৩ |
| | | | | ৭ | | | ৪ | ৬ |
| | ৫ | | ৩ | | | | | |
| ৮ | ৯ | | | ৬ | | | ২ | ৪ |
| | | | | | ৪ | | ৮ | |
| ১ | ৭ | | | ৪ | | | | |
| ৬ | | | ৯ | | | | | ৮ |
| ৫ | | | ৭ | | | ৪ | | ২ |

* উত্তৰ অহা সংখ্যাত প্ৰকাশ পাব